# 2019

# ASSAMESE

## ( Major )

Paper : 3.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। কেৱল উত্তৰটো লিখা : ১×১০=১০

(ক) অসমীয়া ভাষাটো ইণ্ডো-ইউৰোপীয় ভাষাগোষ্ঠীৰ কোনটো শাখাৰ অন্তৰ্গত?

(খ) ইংৰাজী ভাষা কোনটো ভাষাগোষ্ঠীৰ অন্তৰ্গত?

(গ) মাগধী প্ৰাকৃতৰ কোনটো শাখাৰ পৰা অসমীয়া ভাষাৰ উদ্ভৱ হোৱা বুলি ঠাৱৰ কৰা হৈছে?

(ঘ) কোনে পোনপ্ৰথমে কামৰূপী প্ৰাকৃতৰ বিষয়ে আলোচনা কৰিছিল?

(ঙ) এটা মৃত ভাষাৰ নাম লিখা।

(চ) কেন্তম্ আৰু সতম্ শব্দই কি বুজায়?

(ছ) ভাৰতবৰ্ষত কেইটা আৰ্য-ভিন্ন ভাষা পৰিয়াল আছে ?

(জ) অসমীয়া ভাষাত ব্যৱহাৰ হোৱা এটি অৰ্দ্ধ-তৎসম শব্দ উল্লেখ কৰা।

(ঝ) কামৰূপী উপভাষাত শব্দৰ কোন অক্ষৰত শ্বাসাঘাত পৰে ?

(ঞ) *A Study on Kamrupi, A Dialect of Assamese* গ্ৰন্থখন কাৰ ৰচনা ?

২। চমু উত্তৰ লিখা : ২×৫=১০

(ক) অষ্ট্ৰিক ভাষা-গোষ্ঠীক কি কি দুটা ভাগত ভাগ কৰা হয় ?

(খ) নাগামিজ মানে কি ? এটা নাগামিজ শব্দৰ উদাহৰণ দিয়া।

(গ) অপভ্ৰংশৰ যি কোনো দুটা আঞ্চলিক ৰূপৰ নাম লিখা।

(ঘ) কামৰূপী উপভাষাৰ দুটা ধ্বনিতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) নৃগোষ্ঠীয় ভাষা কাক বোলে ?

৩। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ভাষা-পৰিয়াল নিৰ্ণয়ৰ ক্ষেত্ৰত প্ৰধানকৈ কি কি বিষয়ৰ ওপৰত গুৰুত্ব দিয়া হয়—চমুকৈ আলোচনা কৰা।

(খ) কেন্তম্ শাখাৰ অন্তৰ্গত যি কোনো দুটা ভাষাৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা।





(গ) মধ্য ভাৰতীয় আৰ্যভাষাৰ উপস্তৰকেইটা কি কি ? কোনটো উপস্তৰক সাহিত্যিক প্ৰাকৃতৰ স্তৰ নামেৰে জনা যায় ? সাহিত্যিক প্ৰাকৃতকেইটিৰ নাম উল্লেখ কৰা।

(ঘ) অসমীয়া ভাষাত আৰ্য-ভিন্ন ভাষাৰ প্ৰভাৱ সম্পৰ্কে এটি টোকা লিখা।

(ঙ) কামৰূপী প্ৰাকৃত মানে কি ? কামৰূপী প্ৰাকৃতৰ চমু পৰিচয় দাঙি ধৰা।

(চ) অসমীয়া ভাষাৰ শব্দ সম্ভাৰত বিদেশী ভাষাৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা।

৪। (ক) ইণ্ডো-ইউৰোপীয় ভাষা গোষ্ঠীৰ ভাষা-তাত্ত্বিক বৈশিষ্ট্যবোৰ ফঁহিয়াই দেখুওৱা। ১০

*অথবা*

(খ) ইণ্ডো-ইউৰোপীয় ভাষাৰ শ্ৰেণীবিভাগ সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা। ১০

৫। (ক) ভাৰতীয় আৰ্য ভাষাৰ বিকাশৰ স্তৰকেইটা দেখুৱাই প্ৰতিটো স্তৰৰ বিষয়ে আলোচনা কৰা। ১০

*অথবা*

(খ) প্ৰাকৃত-অপভ্ৰংশৰ লগত অসমীয়া ভাষাৰ সম্পৰ্ক সম্বন্ধে আলোচনা কৰা। ১০

৬। (ক) অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতসমূহ উল্লেখ কৰি অধিক গ্ৰহণীয় বুলি ভবা মতটো সম্পৰ্কে বহলাই লিখা। ৫+৫=১০

*অথবা*

(খ) বিভিন্ন আৰ্য-ভিন্ন ভাষাসমূহৰ মাজত অসমীয়া ভাষাটোৰ অৱস্থিতিক এটা দ্বীপৰ লগত তুলনা কৰিব পাৰিনে, আলোচনা কৰা। ১০

৭। (ক) অসমীয়া ভাষাৰ প্ৰধান উপভাষা কেইটা আৰু কি কি? মান্য অসমীয়াৰ লগত গোৱালপৰীয়া উপভাষাৰ এটি তুলনামূলক আলোচনা আগবঢ়োৱা। ৩+৭=১০

*অথবা*

(খ) অসমীয়া ভাষাৰ আৰ্যমূলীয় শব্দবোৰক কি কি তিনিটা ভাগত ভগোৱা হয়? প্ৰতিটি ভাগৰ বিষয়ে উদাহৰণসহ বৰ্ণনা কৰা। ৩+৭=১০

★★★

# 2019

## ASSAMESE

## ( Major )

Paper : 3.2

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

তলৰ যি কোনো এটা শাখাৰ উত্তৰ লিখা

### ক—শাখা

### ( শঙ্কৰদেৱ )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) শঙ্কৰদেৱৰ কবিত্ব প্ৰতিভাৰ শ্ৰেষ্ঠ নিদৰ্শন কি?

(খ) 'অজামিল উপাখ্যান'ৰ উৎস নিৰ্দেশ কৰা।

(গ) ব্ৰহ্মাৰ মানসপুত্ৰ কেইজন?

(ঘ) পৰীক্ষিতৰ আগত কোনে প্ৰহ্লাদ-চৰিত বৰ্ণনা কৰিছিল ?

(ঙ) ৰাসক্ৰীড়াৰ আধাৰগ্ৰন্থ কি ?

(চ) ৰুক্মিণীয়ে কাৰ হাতত কৃষ্ণলৈ পত্ৰ পঠাইছিল ?

(ছ) ককায়েক ৰুক্মবীৰে ৰুক্মিণীক কালৈ বিয়া দিব খুজিছিল ?

(জ) শঙ্কৰদেৱৰ প্ৰথম বৰগীত কোনটো ?

(ঝ) শঙ্কৰদেৱৰ নাটৰ সংখ্যা কিমান ?

(ঞ) নৰকাসুৰৰ মাক কোন আছিল ?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) বৰগীতৰ দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(খ) কীৰ্তনৰ যি কোনো দুটা খণ্ডৰ নাম উল্লেখ কৰা।

(গ) শঙ্কৰদেৱৰ কাব্যগুণ আৰু নাট্যগুণত শ্ৰেষ্ঠ নাটক দুখনৰ নাম লিখা।

(ঘ) প্ৰহ্লাদক কোনে, কি শাস্ত্ৰ পঢ়ুৱাইছিল ?

(ঙ) কৃষ্ণৰ বংশীধ্বনি শুনি ব্ৰজৰ গোপিনীসকলে কেনেদৰে বৃন্দাবনলৈ গৈছিল ?





৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) কৃষ্ণ আৰু ৰুক্মবীৰৰ মাজত হোৱা যুদ্ধখনৰ তাৎপৰ্য ব্যাখ্যা কৰা।

(খ) ৰাসক্ৰীড়াত কোন দুবিধ ৰসে প্ৰাধান্য লভিছে, দেখুওৱা।

(গ) সত্যভামাৰ চৰিত্ৰটো বিশ্লেষণ কৰা।

(ঘ) প্ৰহ্লাদে কেনেকৈ নৰসিংহক স্তুতি কৰিছিল তাৰ বৰ্ণনা দাঙি ধৰা।

(ঙ) 'পাৰিজাত হৰণ' নাটৰ সংলাপ সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(চ) বৰগীতৰ ভাষা সম্পৰ্কে এটা টোকা যুগুত কৰা।

৪। 'ৰুক্মিণী হৰণ' কাব্যত ৰুক্মিণীৰ চৰিত্ৰ—এই সন্দৰ্ভত এটা প্ৰবন্ধ প্ৰস্তুত কৰা। ১০

*অথবা*

শঙ্কৰদেৱৰ বৰগীতৰ বিষয়বস্তু সম্পৰ্কে আলোচনা কৰা।

৫। ‘কীৰ্তন’ৰ কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰা। ১০

*অথবা*

‘গোপালে কি গতি কৈলে’ শীৰ্ষক বৰগীতটিত এই সংসাৰত জীৱাত্মাৰ অৱস্থা কিদৰে বৰ্ণনা কৰা হৈছে আৰু এই অৱস্থাৰ পৰা কিদৰে মুক্তি পোৱাৰ উপায় দিয়া হৈছে, আলোচনা কৰা।

৬। তলৰ যি কোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×২=২০

(ক) হৰণ কাব্য হিচাপে শঙ্কৰদেৱৰ ‘ৰুক্মিণী হৰণ’ কাব্যৰ এটি আলোচনা আগবঢ়োৱা।

(খ) অংকীয়া নাটত সূত্ৰধাৰৰ ভূমিকা সম্পৰ্কে এটি নিবন্ধ যুগুত কৰা।

(গ) শঙ্কৰদেৱৰ ‘কীৰ্তন’-ৰ অন্তৰ্গত ‘ৰাসক্ৰীড়া’ খণ্ডৰ তাৎপৰ্য ব্যাখ্যা কৰা।





## খ—শাখা

### ( লক্ষ্মীনাথ বেজবৰুৱা )

১। তলৰ প্ৰশ্নবোৰৰ অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) ‘আমালৈ নেপাহৰিবা’ গল্পটো কেইটা আধ্যাত বিভক্ত?

(খ) জয়ন্তীৰ গিৰিয়েকৰ নাম কি আছিল?

(গ) ‘কন্যা’ গল্পটো ক’ৰ পটভূমিত ৰচিত হৈছিল?

(ঘ) সিধাই খাটনিয়াৰৰ ঘৰ ক’ত আছিল?

(ঙ) মাঘৰ বিহুত গীতাৰ শ্লোক শুনি কোনে কান্দিছিল?

(চ) মঙলা কোন আছিল?

(ছ) ‘কৃপাবৰ বৰুৱাৰ ওভতনি’ৰ প্ৰথম তাঙৰণ কিমান চনত প্ৰকাশ হৈছিল?

(জ) ৰবসবাহ, তিথি আদিত কোনটো ধ্বনিৰ প্ৰভৱ বেছি?

(ঝ) 'প্ৰিয়তমাৰ সৌন্দৰ্য' কবিতাত উল্লেখ থকা অনুযায়ী ফেটীসাপ ক'ত শুই থাকে ?

(ঞ) 'ধনবৰ ৰতনী' কোন শ্ৰেণীৰ কবিতা ?

২ । চমু উত্তৰ লিখা : ২×৫=১০

(ক) 'ভাৰত উদ্ধাৰ' প্ৰবন্ধ অনুযায়ী ভলন্টিয়াৰসকলৰ গাত থকা দুটা বৈশিষ্ট্য উল্লেখ কৰা ।

(খ) 'জয়ন্তী' গল্পত জয়ন্তীয়ে কি পৰিস্থিতিত মানসিক স্থিৰতা হেৰুৱাইছিল ?

(গ) 'লাওখোলা' গল্পৰ শিৰোনামৰ তাৎপৰ্য উল্লেখ কৰা।

(ঘ) 'মালতী' কবিতাত মালতীক কি কি বস্তুৰ লগত তুলনা কৰা হৈছে ?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুখন কাব্যগ্ৰন্থৰ নাম কি ?

৩ । তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) ট্ৰামত উঠি বেজবৰুৱাই কলিকতাত কৰা ভ্ৰমণ সম্পৰ্কে চমুকৈ উল্লেখ কৰা ।





(খ) বাঙালীসকলে 'বন্দেমাতৰম্'টো কেনেকৈ গায়, লিখা ।

(গ) ভগৱান দাস বাবাজীৰ জীৱন-কাহিনী বৰ্ণনা কৰা ।

(ঘ) 'স্বৰ্গাৰোহণ' গল্পত কামদেৱ আৰু লেখকৰ মাজত হোৱা কথোপকথনৰ তাৎপৰ্য ব্যাখ্যা কৰা ।

(ঙ) ৰোমাণ্টিক কবিতা হিচাপে 'মালতী'ৰ এটি আলোচনা আগবঢ়োৱা ।

(চ) ভুৰুকী বৌৰ চৰিত্ৰটি বিশ্লেষণ কৰা ।

৪ । 'লাওখোলা' গল্পৰ মূল কথাখিনি নিজৰ ভাষাত লিখা । ১০

*অথবা*

'জয়ন্তী' গল্পৰ আধাৰত মানৱ অত্যাচাৰ সম্পৰ্কে বিৱৰি লিখা ।

৫ । বেজবৰুৱাৰ পাঠ্য প্ৰবন্ধসমূহৰ আলম লৈ তেওঁৰ গদ্যশৈলীৰ এটি আভাস দিয়া । ১০

*অথবা*

বেজবৰুৱাৰ চুটিগল্প সম্পৰ্কে এটি আলোচনা যুগুত কৰা ।

৬। বেজবৰুৱাৰ ‘প্ৰিয়তমাৰ সৌন্দৰ্য’ত থকা ৰোমাণ্টিক উপাদানসমূহ নিৰ্দেশ কৰা। ১০

*অথবা*

‘ভ্ৰম’ কবিতাটোৰ কলা-কৌশল সম্বন্ধে এটা নিবন্ধ প্ৰস্তুত কৰা।

৭। ‘বীণ-ব’ৰাগী’ কবিতাটোৰ কাব্যিক সৌন্দৰ্য বৰ্ণনা কৰা। ১০

*অথবা*

‘স্বৰ্গাৰোহণ’ৰ বৰ্ণনাধৰ্মিতা সন্দৰ্ভত এটা প্ৰবন্ধ লিখা।

★★★